ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি)

**হোজাই কে ভি বনাঞ্চলিক, নগাঁও দক্ষিণ বন সংমণ্ডল**
**উত্তৰ অসম চক্ৰ**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)**

**কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

Approved
DFO

**জুন, ২০১৭**

Divisional Forest Officer
Nagaon South Division
Hojai.

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰবন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্‌ছ) |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| ডব্লিউ পি চি (WPC) | কৰ্মসূচী চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

# কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতি
## হোজাই কে ভি বন সংমণ্ডল, নগাঁও দক্ষিণ বন আঞ্চলিক

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

**সূচীপত্ৰ**


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ক | ভূমিকা | ৩ |
| খ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৪ |
| গ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ৮ |
| ঘ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৩ |
| ঙ | বন উন্নয়ন পৰিকল্পনা | ১৪ |
| | **পৰিশিষ্ট তালিকা**<br>জীৱিকা সৃষ্টি কাৰ্যসূচীৰ বাবে চিহ্নিত হিতাধিকাৰীৰ প্ৰস্তাৱিত তালিকা<br>i) বয়ন<br>ii) ঢকুৱাৰ পৰা প্লেট প্ৰস্তুত | ৫৬-৫৭ |

## ক। ভূমিকা

| | |
|---|---|
| **কম্পেল'ৰ প্ৰকল্প সম্পৰ্কে (ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট,** COMPELO) ঃ | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সু-সংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাৰপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **কঁঠালতলি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ হোজাই জিলাত অৱস্থিত কঁঠালতলি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই তথ্যত প্ৰকাশ কৰা হৈছে। এই জে এফ এম চিৰ নগাঁও দক্ষিণ বন সংমণ্ডলৰ অধীনস্থ সামাজিক বনানীকৰণ সংমণ্ডলত অৱস্থিত। সম্প্ৰদায়ৰ বিৱৰণ পৰৱৰ্তী অধ্যায়ত উল্লেখ কৰা হ'ল। |

| | |
|---|---|
| | বৰ্তমান ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলা সকলো সদস্যৰ অংশগ্ৰহণেৰে প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ এপ্ৰিল মাহত গুৱাহাটীৰ ইণ্ডিয়ান ইনষ্টিটিউ অব এণ্টাৰপ্ৰেনেয়ৰশ্বিপ (আই আই ই) বিষয়া আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত আই আই ইৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। |

## ২। কঁঠালতলি জে এফ এম চিৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতি ( জে এফ এম চি) অঞ্চলটোৰ জনসাধাৰণক সামৰি গঠন কৰা হয়। কঁঠালতলি গাঁওখন হ'ল এখন প্ৰান্তীয় গাঁও আৰু এই গাঁওখন নগাঁও দক্ষিণ সংমণ্ডলৰ অৱস্থিত। উক্ত জে এফ এম চিৰ অন্তৰ্গত অঞ্চল অসমৰ হোজাই জিলাৰ লামডিং উন্নয়ন খণ্ডৰ অধীনত অৱস্থিত।<br>পৰিশিষ্ট-I (খ)ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে। |
| **মূল তথ্য** | **জে এফ এম চিৰ মূল্য তথ্য তলত উল্লেখ কৰা হ'ল ঃ**<br>**তালিকা (ক) ঃ জে এফ এম চিৰ মূল তথ্য** |

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | কঁঠালতলি |
| **বসতিস্থান** | কঁঠালতলি |
| **ৰাজহ গাঁৱৰ নাম** | মিলিকবস্তি |
| **গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম** | নন্দপুৰ |
| **ৰাজহ চক্ৰ** | হোজাই |
| **জিলা** | হোজাই |
| **বন সংমণ্ডল** | নগাঁও দক্ষিণ বন সংমণ্ডল, হোজাই |
| **বন আঞ্চলিক** | কে ভি বনাঞ্চলিক |
| **বন লাট** | ধলপুখুৰী |
| **গঠনৰ বছৰ** | ২০০৬-০৭ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা হ'ল ঃ<br>উত্তৰে ঃ মিলিকবস্তি<br>দক্ষিণে ঃ হাৰাইপুৰ গাঁও<br>পশ্চিমে ঃ ধাননি পথাৰ<br>পূবে ঃ লস্কা পথাৰ |

**উৎস ঃ** জে এফ এম চি তথ্য আৰু ২০১৭ৰ মাৰ্চত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত বৰ্ণনা তথ্য-I (পৰিশিষ্ট-৬)ৰ তালিকা-১ত প্ৰদান কৰা হৈছে।

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ</td>
<td>কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>কুলেন্দ্ৰ সিং</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>নবীন দাস, ফৰেষ্টাৰ-১</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>প্ৰভাত সিং টিমুং</td></tr>
<tr><td rowspan="3">কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ৮</td></tr>
<tr><td>মহিলা ঃ ৬</td></tr>
<tr><td>মুঠ ঃ ১৪</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>১৪৩ (জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ একোজন প্ৰাপ্তবয়স্ক ইয়াত প্ৰতিনিধি হিচাপে ৰখা হৈছে)</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ নথি</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনগাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ১৭৪টা। মহিলা মুৰব্বীৰ নেতৃত্বত চলা পৰিয়াল নাই। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ১২১৮জন। ইয়াৰে ৬৯৬জন পুৰুষ আৰু ৫২২গৰাকী মহিলা। মুঠ জনসংখ্যাৰ ১৭৪টা পৰিয়ালত আছে অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ মানুহ আৰু তেওঁলোক হিন্দুধৰ্মাৱলম্বী।<br><br>উপৰোক্ত তথ্যৰ অধিক বিৰৰণৰ বাবে তথ্য-(I)ৰ তালিকা-২ চাব পাৰে।<br><br>ইয়াৰ পৰা জনা যায় যে ঃ<br><br>১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৭জন (১৭৪টা পৰিয়ালৰ)<br><br>২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ৭৫০গৰাকী মহিলা। গাঁওখনৰ মহিলাৰ শতকৰা হাৰ (৮০ শতাংশ) ।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা উন্নয়ন</td>
<td>জনসংখ্যাৰ (১৭৪টা পৰিয়াল) ৯৫ শতাংশ ৰো অধিক লোক সাক্ষৰ। গাঁওখনৰ অধিকাংশ লোকে স্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। ইয়াৰে ২১জন স্নাতক, ৩জন স্নাতকোত্তৰ আৰু তিনিজন পি এইচ ডি ডিগ্ৰীধাৰী।<br><br>আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী গাঁওবাসীয়ে গ্ৰহণ কৰি আহিছে। জে এফ এম চি এলেকাত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে গ্ৰহণ কৰা দক্ষতা। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে ঃ<br><br>ক) কৃষি<br><br>খ) বয়ন<br><br>গ) পশুপালন</td>
</tr>
</table>

| | |
|---|---|
| | ঘ) দৈনিক ভিত্তিক শ্ৰমদান<br>ঙ) পশুধন<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। এনে কোনো আঁচনিৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই। |
| **মাটিৰ প্ৰকাৰ** | প্ৰকল্প এলেকাৰ মাটি এনেধৰণৰ ঃ<br>■ বালিমিশ্ৰিত মাটিৰে গঠিত সমভূমি। সমগ্ৰ এলেকাটোত মাটি সাৰুৱা। ফলত এই ধৰণৰ মাটি বিভিন্ন শস্য উৎপাদনৰ বাবে উপযোগী। |
| **পানী** | এই অঞ্চলটোৰ মাজেৰে কালামণিজান নৈখন প্ৰবাহিত হৈছে। সমীপৱৰ্তী কাৰ্বি আংলং পাহাৰৰ পৰা নামি অহা এই নৈখন প্ৰকল্প এলেকাৰ মাজেৰে বৈ গৈ উত্তৰ দিশে ব্ৰহ্মপুত্ৰত মিলিত হৈছে। গোটেই বছৰজুৰি পানী প্ৰৱাহিত হয়। |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হৈছে ৪৫ ডিগ্ৰী চেলচিয়াছ। শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৮-১০ ডিগ্ৰী চেলচিয়াছ।<br>প্ৰতিবছৰে বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ৩০০ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন-ছেপ্টেম্বৰ) সাধাৰণতে দুই তৃতীয়াংশ বৃষ্টিপাত হয়।<br>গ্ৰীষ্মৰ সময়ত গাঁওখনৰ আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ৯৫ শতাংশৰো অধিক। শীতকালত আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ২৫ শতাংশৰ তলত। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহ ক্ষণস্থায়ী আৰ্দ্ৰ আৰু ঘন বৃক্ষ পৰিপূৰ্ণ হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। প্ৰধান বৃক্ষ প্ৰজাতিবোৰ হৈছে বাঁহ, নিম, আমলখি, শিলিখা, অৰ্জুন, চেগুণ, খৰি হিচাপে ব্যৱহাৰ কৰা গছ আৰু অন্যান্য ভেষজ উদ্ভিদ। এই সম্পৰ্কে অতিৰিক্ত তথ্য বনাঞ্চল উন্নয়ন পৰিকল্পনা দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৰৱ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট ২ ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নলিখিত ধৰণৰ ঃ<br>সম্প্ৰদায়ৰ মীন পালন এলেকা ঃ ৩.১৬ শতাংশ<br>পতিত ভূমি ঃ ৬.০৩ শতাংশ<br>ধাননী পথাৰ ঃ ৫৭.৮৪ শতাংশ<br>বনাঞ্চল এলেকা ঃ ১০.৫০ শতাংশ<br>পথ ঃ ১.৫২ শতাংশ<br>সংস্থাপন দিয়া এলেকা ঃ ১৯.৭৯ শতাংশ<br>জলধাৰা ঃ ১.১৬ শতাংশ |
| **ভূমি মালিকানাৰ ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি মালিকানাৰ ধৰণ **তথ্য-(I)**ৰ **তালিকা-৬**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ১১ শতাংশ পৰিয়াল ভূমিহীন (২০টা পৰিয়াল)<br>■ ৮৭ শতাংশ পৰিয়াল উপান্ত কৃষক। অৰ্থাৎ ২ হেক্টৰতকৈ কম ভূমিৰ অধিকাৰী |

| | |
|---|---|
| | (১৫১টা পৰিয়াল)<br>■ ২ শতাংশ পৰিয়াল ক্ষুদ্ৰ খেতিয়ক। অৰ্থাৎ ২-১০ হেক্টৰ ভূমিৰ অধিকাৰী (৩টা পৰিয়াল) |
| **পশুধন** | কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিৰ মুঠ পশুধনৰ সংখ্যা হৈছে ৩৪৪৭টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গাইগৰু ঃ ১০৩৮টা<br>ছাগলী ঃ ৬৫১টা<br>হাঁহ-কুকুৰা ঃ ৪১২টা<br>ম'হ ঃ ৭২৮টা<br>গাহৰি ঃ ৬১৮টা<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৰৰণ **তথ্য-(I)ৰ তালিকা-৪**ত দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ স্থিতিশীল উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)ৰ তালিকা-৫**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>এই তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>**বস্তুগত আন্তঃগাঁথনি ঃ** গাঁওখনত পদপথ, বিদ্যুৎ, পানী যোগান আৰু জলসিঞ্চন ব্যৱস্থা আদিকে ধৰি মৌলিক বস্তুগত আন্তঃগাঁথনিৰ পৰা বঞ্চিত। অধিকাংশ পথবোৰ কেঁচা।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** বৰ্তমানৰ মুষ্টিমেয় কেইখনমান শিক্ষা প্ৰতিষ্ঠান আৰু স্বাস্থ্য ব্যৱস্থা গাঁৱৰ বাসিন্দাসকলৰ বাবে যথেষ্ট নহয়। এই জে এফ এম চি এলেকাত চৰকাৰী পৰিবহণ আৰু বজাৰ পৰ্যাপ্ত নহয়। ইয়াৰ ফলত সম্প্ৰদায়ৰ লোকসকলে চাইকেলেৰে দূৰলৈ যাবলগীয়া হয়।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ যেনে, আৰক্ষী থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ কাৰ্যালয়, বনাঞ্চলিক কাৰ্যালয় আদি গাঁওখনৰ পৰা যথেষ্ট দূৰৈত (৩ কিঃমিঃ দূৰত্ব)। ফলত গাঁওবাসীয়ে সহজতে সেইবোৰলৈ যাব নোৱাৰে। গাঁও বা নিকটৱৰ্তী অঞ্চলৰ পৰা নিয়মিত পৰিবহণৰ সুবিধাও নাই।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক আৰু ডাকঘৰ আদি বিত্তীয় প্ৰতিষ্ঠানবোৰ গাঁৱৰ বসতিস্থানৰ পৰা যথেষ্ট দূৰৈত। ৭ কিলোমিটাৰ দূৰত হোজাই চহৰত। সম্প্ৰদায়ৰ লোকসকলৰ একাউণ্ট দূৰৱৰ্তী ঠাইসমূহত। |
| **কৃষিশস্য** | কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিৰ কৃষিশস্যৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৬**ত বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা তলৰ তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—<br>খাৰিফ শস্য ঃ ধান (আইজং, পংকজ, গয়া, ৰণজিৎ) |

| | |
|---|---|
| | ৰবি শস্য ঃ সৰিয়হ<br>অন্যান্য ঃ আম, কঁঠাল, বন্ধাকবি, ফুলকবি, জলকীয়া, বেঙেনা, বিলাহী, ৰঙালাও, পানীলাও আদি।<br>অধিকাংশ শস্যৰ উৎপাদন বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |
| **শস্য উৎপাদন** | কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিত শস্যৰ উৎপাদন আৰু উৎপাদনৰ হাৰৰ সবিশেষ **তথ্য-(I)**ৰ **তালিকা-৭**ত উল্লেখ কৰা হৈছে।<br>গাঁৱৰ সৰ্বাধিক পৰিয়াল ধান, পাচলি, ফল আৰু চাহ উৎপাদনত জড়িত।<br>উৎপাদিত শস্য আৰু ইয়াৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—<br>ক) ধান ঃ উৎপাদন ঃ ৪৩৫ কুইন্টল হাৰ ঃ ৬৮.৮২ হেঃ/কুঃ<br>গ) পাচলি ঃ উৎপাদন ঃ ৩৬০ কুইন্টল হাৰ ঃ ১৮.৭৫ হেঃ/কুঃ |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)**ৰ **তালিকা-৮**ত সন্নিৱিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্টাংশ<br>খ) বনাঞ্চলৰ চৰণীয়া এলেকা<br>গ) পৰিয়ালৰ আবাসৰ পেলনীয়া বস্তু<br>ঘ) গছ-গছনিৰ সেউজ পাত আৰু ঘাঁহ। |
| **বজাৰ** | কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **তথ্য-(I)**ৰ **তালিকা-৯**ত উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকানঃ গাঁৱৰ ভিতৰত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৩ কিলোমিটাৰ দূৰত নন্দপুৰত<br>গ) প্ৰধান বজাৰ ঃ ৭ কিলোমিটাৰ দূৰত হোজাই চহৰত। |
| **জলসম্পদ** | **তথ্য-(I)**ৰ **তালিকা-১০**ত জলসম্পদৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) টিউবৱেল (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ জুৰি)<br>খ) নদী (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ জুৰি)<br>গ) জলধাৰা (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ জুৰি) |
| **শক্তিৰ ব্যৱহাৰ** | কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)**ৰ **তালিকা-১১**ত উল্লেখ কৰা হৈছে।<br>ক) কাঠ-খৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৪৩টা, উৎস ঃ বনাঞ্চল<br>খ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৩০টা, উৎস ঃ চৰকাৰ |

| | |
|---|---|
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনৰ বাসিন্দাসকল মণিপুৰী সম্প্ৰদায়ৰ আৰু তেওঁলোক অনুসূচিত জাতিৰ শ্ৰেণীভুক্ত। গাঁওখনত সমাজখন সামাজিক বিভাজন গভীৰ নহয়। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br><br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। জীবিকাৰ প্ৰধান উপায়বোৰ হৈছে কৃষিপাম, কৃষি, দিন হাজিৰা শ্ৰম, পশুপালন পাচলি ফেৰি আদি। গাঁওবাসীসকলৰ বাৰ্ষিক গড় উপাৰ্জন ৬০,০০০ টকাৰ পৰা ৮০,০০০ টকালৈকে। অতিৰিক্ত তথ্য পৰৱৰ্তী অধ্যায়ত দিয়া হৈছে। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-Iত সন্নিৱিষ্ট কৰা হৈছে।<br><br>* গাঁৱৰ মানচিত্ৰ (পি আৰ এ-ত অংশগ্ৰহণ কৰা সদস্যসকলৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ) |

## ৩। জীৱিকা সম্পদৰ বিশ্লেষণ

তলত উল্লেখ কৰা মানৰ ভিত্তিত জীৱিকাৰ উপায় সম্পৰ্কীয় ৰূপৰেখাৰ বিশ্লেষণ কৰা হৈছে ঃ

* জীৱিকা সম্পদ
* জীৱিকাৰ পৰিপ্ৰেক্ষিত
* সম্ভাৱনীয় জীৱিকা সম্পৰ্কীয় অগ্ৰাধিকাৰ স্থানাংক

ডি এফ ডি আই-ৰ (ডিপাৰ্টমেণ্ট অব্ ফাণ্ডিং ফৰ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট)ৰ স্থিতিশীল জীৱিকা ৰূপৰেখাৰ ভিত্তিত পি আৰ এ অনুশীলনৰ সময়ত ন-খুঁটি জে এফ এম চিৰ জীৱিকাৰ পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। জে এফ এম চিৰ বৰ্তমান জীৱিকা পৰিস্থিতি নিম্নোক্ত বিষয়সমূহৰ ভিত্তিত চিহ্নিত কৰা হৈছে ঃ

* প্ৰাকৃতিক মূলধন
* বস্তুগত মূলধন
* সামাজিক মূলধন
* মানৱ সম্পদ
* আৰ্থিক মূলধন

## ৪। প্ৰাকৃতিক সম্পদ

কঁঠালতলি জে এফ এম চি নগাঁও দক্ষিণ বন সংমণ্ডলৰ অধীনস্থ কে ভি বন আঞ্চলিকত অৱস্থিত। এই জে এফ এম চিৰ প্ৰধান প্ৰাকৃতিক মূলধন হৈছে — বাঁহ, চেগুন, শাল। ইয়াৰে বাঁহ আছে বিভিন্ন প্ৰজাতিৰ। একমাত্ৰ নৈখন হৈছে কালামণি জান।

কাঠখৰি, সেউজীয়া পশুখাদ্য, কাঠ ইত্যাদিৰ বাবে গাঁওখনৰ লোক বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। গাঁওবাসীয়ে কৃষি আৰু পশুধন পোহপালৰ বাবে নদীৰ পানী ব্যৱহাৰ কৰে। (অধিক বিৱৰণ এফ ডি পিৰ **তালিকা ১০,১১ আৰু ৩ত** উল্লেখ কৰা হৈছে।)

## ৫। বস্তুগত মূলধন

কঁঠালতলি যুটীয়া বন পৰিচালনা সমিতিৰ অধিকাংশ পৰিয়াল কৃষিকাৰ্যৰ সৈতে জড়িত। তদুপৰি অধিকাংশই উপান্ত কৃষক। অৰ্থাৎ ২ হেক্টৰতকৈ কম ভূমিৰ অধিকাৰী। ভূমি মালিকানাৰ ধৰণৰ সবিশেষ **৩ নং তালিকাত (পৰিশিষ্ট-৬)**ত উল্লেখ কৰা হৈছে।

যুটীয়া বন পৰিচালনা সমিতিখনত ১৩টা অৰ্ধ-পকী ঘৰ আছে। পকী ঘৰ আছে ৭টা। বাকীবোৰ কেঁচা ঘৰ। গাঁওবাসীসকলে জৈৱিক ইন্ধন, কেৰাচিন, বিদ্যুৎ, এল পি জি আৰু সৌৰ শক্তি আদি বিভিন্ন প্ৰকাৰৰ উৎসৰ শক্তি ব্যৱহাৰ কৰে। ঘৰুৱা চাহিদাৰ বাবে আৰু অন্যান্য কামত ব্যৱহাৰৰ বাবে গাঁওবাসীয়ে খৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰ কৰে।

কিছুসংখ্যক পৰিয়ালৰ এল পি জি সংযোগ আছে যদিও কিন্তু এল পি জিৰ ওপৰত তেওঁলোকৰ নিৰ্ভৰশীলতা অতি কম **(দ্ৰষ্টব্য-১০ আৰু ১১ নং তালিকা)**। জে এফ এম চি এলেকাৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয় আছে। কিন্তু অন্য কোনো শিক্ষা প্ৰতিষ্ঠান নাই।

জলসম্পদৰ ক্ষেত্ৰত কিছু পৰিয়ালে টিউবৱেলৰ পানী ব্যৱহাৰ কৰে আৰু বাকী পৰিয়ালবিলাক দৈনন্দিন পানীৰ ব্যৱহাৰৰ বাবে নদীৰ ওপৰত নিৰ্ভৰশীল।

## ৬। সামাজিক মূলধন

গাঁওবাসীসকল জে এফ এম চি/ ই ডি চি-ৰ জৰিয়তে নিৰ্দিষ্ট কি সা-সুবিধা পাবলৈ গৈ আছে, তেওঁলোকৰ ভূমিকা আৰু কাম-কাজ আদি বিষয়ত সজাগতাৰ অভাৱৰ কাৰণে জে এফ এম চি-ৰ কাম-কাজত সম্পূৰ্ণভাৱে জড়িত হোৱা নাই।

গাঁওখনত কোনো আত্মসহায়ক গোট নাই। অৱশ্যে গাঁৱত দুটা অংগনৱাড়ী কেন্দ্ৰ আৰু চাৰিটা মন্দিৰ আছে। এইবোৰত সামাজিক মেল অনুষ্ঠিত হয়।

## ৭। মানৱ সম্পদ

যুটীয়া বন পৰিচালনা সমিতিখনৰ ৯৫ শতাংশ লোক শিক্ষিত আৰু ৫ শতাংশ লোক নিৰক্ষৰ

**৩.৩ নং তালিকা দ্ৰষ্টব্য)**।

## ৮। আৰ্থিক মূলধন

জে এফ এম চি অথবা ইয়াৰ নিকটৱৰ্তী এলেকাত কোনো চৰকাৰী বেংক বা ঋণদাতা প্ৰতিষ্ঠান নাই। গাঁওবাসীসকলে অনানুষ্ঠানিক ঋণদানকাৰী গোট, আত্মীয়বৰ্গ আদিৰ পৰা ঋণ লয়।

বাণিজ্যিক বেংকসমূহত ৬৩৭জন লোকৰ বেংক একাউণ্ট আছে যদিও বিত্তীয় অন্তৰ্ভুক্তিৰ জৰিয়তে ল'ব পৰা সুবিধা সম্পৰ্কে তেওঁলোক সজাগ নহয়।

## ৯। জীৱিকা প্ৰসংগ

তলত উল্লেখ কৰা মানৰ ভিত্তিত কঁঠালতলি জে এফ এম চিৰ জীৱিকাৰ কাম-কাজবোৰ চিহ্নিত কৰা হৈছে।

* জে এফ এম চি-ৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকাৰ কাম-কাজৰ জৰিয়তে যোগোৱা অৱদান
* জীৱিকাৰ নিৰ্দিষ্ট কামত জড়িত উপাৰ্জনকাৰী গোটৰ শতাংশ হাৰ
* সম্ভাৱনীয় জীৱিকাৰ উপায়ৰ অগ্ৰাধিকাৰ স্থানাংক

## ১০। পি আৰ এ অনুশীলনৰ জৰিয়তে অগ্ৰাধিকাৰ স্থানাংক (ৰেংকিং)

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ আই আই ই-ৰ দলে কঁঠালতলি জে এফ এম চিত পি আৰ এ অনুশীলন সম্পন্ন কৰে। ইয়াৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ<br>তাৰিখ ঃ ৯ এপ্ৰিল, ২০১৭<br>স্থান ঃ কঁঠালতলি জে এফ এম চি-ৰ ৰাজহুৱা সভাঘৰ<br>উপস্থিত লোকৰ সংখ্যা ঃ ৬৫<br>উপস্থিত থাকে ঃ জে এফ এম চি-ৰ সভাপতি, জে এফ এম চি-ৰ সদস্য সচিব, বন বিভাগৰ কৰ্মচাৰীসকল, জে এফ এম চিৰ বিষয়ববীয়াসকল আৰু গাঁওবুঢ়া। |
| **পি আৰ এৰ উদ্দেশ্য** | বৰ্তমান পৰিয়ালসমূহৰ অৱস্থা সম্পৰ্কে অধ্যয়ন আৰু সম্প্ৰদায়ৰ জীৱিকা উন্নয়ন আৰু বনাঞ্চল উন্নয়নৰ কাৰণে অন্যান্য প্ৰাথমিক তথ্য সংগ্ৰহ কৰাই আছিল এই অনুশীলনৰ উদ্দেশ্য। |
| **পি আৰ এৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিলা** | বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু ফলাফল সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে ঃ<br>সামাজিক মানচিত্ৰায়ণ (মেপিং)<br>সম্পদৰ স্থানাংক নিৰ্দ্ধাৰণ (ৰেংকিং)<br>সময়কালীন সমীক্ষা<br>জীৱিকাৰ ঋতুকালীনতা<br>ভেন ডায়েগ্ৰাম<br>চাপাটি ডায়েগ্ৰাম<br>(**পৰিশিষ্ট-** ৩ত ওপৰৰ বিষয়বোৰ সম্পৰ্কে বিতং তথ্য আগবঢ়োৱা হৈছে। |
| **স্থানাংক (ৰেংকিং)** | নিম্নোক্ত বিষয়ত স্থানাংক (ৰেংকিং) নিৰ্দ্ধাৰণ কৰা হৈছে ঃ<br>* প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>* জীৱিকা আৰু দক্ষতা উন্নয়ন |

| | |
|---|---|
| | ইপি এ-ৰ স্থানাংক (৩৭ নং পৃষ্ঠা দ্ৰষ্টব্য) |

| স্থানাংক | স্থানাংক অনুসৰি গাঁৱৰ ইপিএ | বিতং বিৱৰণ | বাজেট |
|---|---|---|---|
| ১ | অত্যাৱশ্যক সা-সামগ্ৰী এখন ৰাজহুৱা গ্ৰন্থাগাৰ | অৱস্থিতি - কঁঠালতলি জে এফ এম চি, আকাৰ ঃ দৈৰ্ঘ্য-২৫ ফুট, বহল-১২+৬ ফুট | ৭ লাখ |
| ২ | প্ৰৱেশদ্বাৰসহ ৰাজহুৱা সভাঘৰৰ সীমাৰ প্ৰাচীৰ | অৱস্থিতি ঃ ৰাজহুৱা সভাঘৰ, কঁঠালতলি জে এফ এম চি | ৩.৫ লাখ |
| ৩ | খোৱাপানী ব্যৱস্থাৰ বাবে মটৰসহ এটা কুঁৱা আৰু দুমহলীয়া অট্টালিকা | অৱস্থিতি ঃ ৰাজহুৱা সভাঘৰ, কঁঠালতলি জে এফ এম চি দৈৰ্ঘ্য-১৬ ফুট, বহল-১২+৬ ফুট | ৯ লাখ (আনুঃ) |
| ৪ | পাইপ ৰেলিংসহ ঘূৰণীয়া কৰিড' আৰু এটা পৰ্যবেক্ষণ গৃহ | অৱস্থিতি ঃ সম্প্ৰদায়ৰ মীন পালন স্থলী, কঁঠালতলি জে এফ এম চি আকাৰ ঃ দৈৰ্ঘ্য-৯×৯ ফুট+ ঘূৰণীয়া কৰিড'ৰ | ২.৫ লাখ (আনুঃ) |
| ৫ | দুৰ্গা মন্দিৰৰ সমীপত এটা কাৰ্যালয় গৃহ তথা গুদামঘৰ | অৱস্থিতি ঃ দুৰ্গা মন্দিৰ, কঁঠালতলি জে এফ এম চি, আকাৰ ঃ দৈৰ্ঘ্য-১৬ ফুট, বহল ১২+৭ ফুট | ৩ লাখ (আনুঃ) |

* জীৱিকা কাৰ্যকলাপ বৃদ্ধিৰ বাবে ই পি এ নিধিৰ পৰা দুই লাখ টকা চলিত মূলধনৰ জা-যোগাৰ কৰিব লাগিব।

* জে এফ এম চিৰ পৰিসীমাৰ ভিতৰত যন্ত্ৰপাতি, সা-সজুলি আদি স্থাপন আৰু সচল কৰাৰ বাবে এটা নিম্ন উচ্চতাৰ ৰাজহুৱা কৰ্মগৃহৰ শ্বেড তথা জে এফ এম চি-ৰ কাৰ্যালয় স্থাপন কৰিব লাগিব।

| | |
|---|---|
| | **জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক**<br>১. বয়ন<br>২. কৃষি<br>৩. পশুপালন<br>৪. দৈনিক মজুৰি শ্ৰম<br>৫. পশুধন |
| **জীৱিকাৰ সুযোগ সুবিধা** | জীৱিকাৰ সুযোগসমূহ তলত উল্লেখ কৰা হ'ল ঃ<br>কৃষি আৰু উদ্যান শস্য<br>পশুধন<br>এন টি এফ পি<br>দক্ষতা উন্নয়ন<br>ঋণৰ ব্যৱস্থা<br>ওপৰত উল্লেখিত বিষয়বোৰ সম্পৰ্কে অধিক আলোচনা তলত উল্লেখ কৰা হৈছে। |
| **কৃষি আৰু উদ্যান শস্য** | কৃষি আৰু উদ্যানশস্যৰ ক্ষেত্ৰত সুযোগ সম্পৰ্কে তথ্যসমূহ নথি-২ৰ **তালিকা-১২**ত পাব ঃ<br>**প্ৰধান প্ৰধান বাধাবোৰ ঃ**<br>ক) কীটনাশক পতংগনাশক দৰৱৰ অতি কম ব্যৱহাৰ।<br>খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।<br>গ) কৃষি আন্তঃগাঁথনি, আধুনিক সা-সঁজুলি, যেনে ঃ পাৱাৰটিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ।<br>ঘ) অধিক উৎপাদনশীল বীজ ব্যৱহাৰ নকৰা।<br>**সুযোগসমূহ ঃ**<br>ক) উপযুক্ত আৰু নিয়ন্ত্ৰিতভাৱে কীট আৰু পতংগনাশক দৰৱৰ ব্যৱহাৰ<br>খ) নতুন আৰু অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ<br>গ) সুসংগঠিত প্ৰশিক্ষণ কৰ্মসূচী<br>পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ হৈছে ঃ<br>* ট্ৰেক্টৰ চালনা প্ৰশিক্ষণ।<br>* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী।<br>* কীট-পতংগ নাশক, সংকৰ প্ৰজাতিৰ শস্য খেতি আদি বিষয়ত প্ৰশিক্ষণ |
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত দিয়া হৈছে।<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশু খাদ্য ক্ৰয়ৰ অক্ষমতা<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টা অংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰ ধৰি সেউজ পশুখাদ্য পাবলৈ নাই।<br>গ) কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>ঘ) যথোপযুক্তভাৱে পশুপালনৰ বিষয়ে জ্ঞানৰ অভাৱ। |

| | |
|---|---|
| | **সুযোগসমূহ ঃ**<br>ক) পশুপালনৰ জৰিয়তে অধিক উপাৰ্জন<br>খ) কৰ্মশক্তিৰ সংখ্যাগৰিষ্ঠ কাম-কাজত যুক্ত।<br>পৰামৰ্শত দিয়া কৰ্মসূচীসমূহ ঃ<br>ক) ছাগলী পালন<br>খ) হাঁহ-কুকুৰা পালন<br>গ) গৰু-ম'হ আদি পশুপালন |
| **কাঠ ভিন্ন বনজ উৎপাদন (এন টি এফ পি)** | এন টি এফ পিৰ সযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তাৰিকা-১৪**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) এন টি এফ পি-ৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে পৰ্যাপ্ত জ্ঞানৰ অভাৱ<br>খ) উচ্চ উৎপাদনশীল প্ৰজাতিৰ উন্নয়ন আৰু গাৰ্হস্থ্য জীৱনত ব্যৱহাৰৰ সম্পৰ্কে গৱেষণাৰ অভাৱ<br>গ) কাৰিকৰী জ্ঞানৰ ব্যৱস্থা নাই।<br>ঘ) প্ৰক্ৰিয়াকৰণ ইউনিট নাই।<br>ঙ) প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মী আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱ।<br>চ) স্থানীয়ভাৱে সা-সঁজুলি উৎপাদনৰ ব্যৱস্থা নাই।<br>**সুযোগসমূহ ঃ**<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা<br>খ) উৎপাদিত সামগ্ৰীৰ উপলব্ধ বজাৰ<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) খাদ্য উদ্ভিদৰ খেতি<br>খ) ভেষজ উদ্ভিদ আদি |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তাৰিকা-১৮**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) বিবিধ প্ৰকাৰ উৎপাদনৰ অভাৱ<br>খ) উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ<br>গ) টি কিউ এম কলাকৌশলৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) ভাল বাণিজ্যিক সুবিধা প্ৰদান<br>খ) দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>গ) চৰকাৰৰ তৰফৰ পৰা বিত্তীয় সাহায্য<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>* আধুনিক যন্ত্ৰপাতি, সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* দক্ষতাৰ উন্নতকৰণ আৰু নতুন উৎপাদনৰ বিকাশ আৰু বিবিধ প্ৰকাৰৰ উৎপাদনৰ বাবে প্ৰশিক্ষণ<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান |

| | |
|---|---|
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত নথি-২ৰ **তালিকা-১৬ত** আলোচনা কৰা হৈছে<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ ঃ**<br>ক) আৰ্থিক অন্তৰ্ভুক্তি<br>খ) বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুদ ধাৰ্য কৰা<br>**সুযোগসমূহ ঃ**<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) পৰ্যাপ্ত সজাগতা<br>গ) আধুনিক সা-সজুঁলিৰ (ট্ৰেক্টৰ আদি) কাৰণে ঋণৰ সুবিধা প্ৰদান<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>**১) কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী, কীটনাশক, পতংগ নাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>**২) পশুধন ঃ** হাঁহ-কুকুৰা আৰু গৰু-ম'হ-ছাগলী, গাহৰি আদি পালন আৰু প্ৰজনন।<br>**৩) এন ডব্লিউ এফ পি ঃ** বিভিন্ন প্ৰকাৰৰ খাদ্য-উদ্ভিদ, ভেষজ উদ্ভিদ আদিৰ খেতি।<br>**৪) বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সুঁজলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু সামগ্ৰী উৎপাদনসহ আন বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰতিষ্ঠানিক ক্ৰেতাসকলৰ সৈতে উৎপাদিত সামগ্ৰীৰ বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>**৫) ঋণৰ ব্যৱস্থা ঃ** নিকটৱৰ্তী এলেকাত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## ১১। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাৰ্যসূচী** | জে এফ এম চিৰ বাবে পৰিকল্পনা কৰা মূল উপাৰ্জন সৃষ্টি কাৰ্যসূচীসমূহ হ'ল ঃ<br>**কৃষিখণ্ড ঃ**<br>১) পশুধন<br>২) কৃষিপাম<br>৩) উদ্যান শস্য<br>**কৃষি বৰ্হিভূত খণ্ড ঃ**<br>১) বয়ন<br>২) ইলেক্ট্ৰিচিয়ান<br>৩) কাঠৰ কাম<br>৪) চিলাই |
| **আত্মসহায়ক গোটৰ কৰ্মসূচী** | গাঁওখনৰ আত্মসহায়ক গোটবোৰে তলৰ কৰ্মসূচী সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ |

| | |
|---|---|
| **শিক্ষামূলক ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>১) নাই<br>২) নাই<br>**উৎস ঃ** নথি-৪ৰ **তালিকা-৩৪**ত। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি।<br><br>ক) ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি- গ্ৰামীণ নিয়োগৰ বাবে<br><br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)- কৃষি আৰু কৃষিজাত উন্নয়নৰ বাবে<br><br>গ) স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা (SJGSY)-জলসিঞ্চন আৰু জলচ্ছেদ উন্নয়নৰ বাবে<br><br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান<br><br>ঙ) দক্ষতা উন্নয়ন আঁচনি<br><br>চ) গ্ৰামীণ উন্নয়ন আৰু জীৱিকাৰ বাবে উপযুক্ত অন্যান্য আঁচনি<br><br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণৰ পৰৱৰ্তী কালতো সহায় কৰিব। |

## ১২। কঁঠালতলি জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনা

কঁঠালতলি জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক স্থিতিশীল ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

কঁঠালতলি জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/ৰোপণৰ বাবে নিৰ্ধাৰিত সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, কঁঠালতলি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ ন-খুঁটি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি এফ, নামঃ কে ভি বনাঞ্চলিক, লংকা লাট ঃ হালধিআটি ভাগ ঃ | ১৮৩.৫৪ | ০ | ভাল এলেকা ঃ ১৮৩.৫৪ হেঃ ক্ষতিগ্ৰস্ত এলেকা ঃ ০ হেক্টৰ | ২-৩মাহ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| অৱস্থিতি ঃ আৰ্দ্ৰ-সেমেকা বনাঞ্চলৰ ধৰণঃ ভিএফ/অন্যান্য | | | | |
| **মুঠ** | ১৮৩.৫৪ হেক্টৰ | | ভাল এলেকা ঃ ১৮৩.৫৪ হেঃ ক্ষতিগ্ৰস্ত এলেকা ঃ ০ হেক্টৰ | |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা ৩.১**/বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে কঁঠালতলি জে এফ এম চিৰ অন্তৰ্গত ৩০০ হেক্টৰ বনাঞ্চল, য'ত ১৮৩.৫৪ হেক্টৰ 'ভাল' আৰু ০ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

**১.২। বনাঞ্চলৰ মাটিৰ প্ৰকাৰ ঃ**

কঁঠালতলি জে এফ এম চিৰ বনাঞ্চল পাললিক প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনভূমিৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ কঁঠালতলি জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| স্থিতি মাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩ ৰ পৰা ২.৯৪ শতাংশ জৈৱিক। এন, পি ২০৫, কে-২০ মৌলৰ পৰ্যাপ্ততা এই ভূমিত তুলনামূলকভাৱে কম | — |
| ভূমি ক্ষয়ৰ অৱস্থা | — | — |
| উপস্থিতি ঃ<br>(ক) পলশ | ১৫% | — |
| (খ) বোকামাটি | ২০% | — |
| (গ) ন-উৰ্বৰ ভূমি | কম | — |
| (ঘ) বালিচাহি | ৬৫% | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ। বনভূমি প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

কঁঠালতলি জে এফ এম চিৰ বাবে বনভূমিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) এণ্টিছ'ল (৩২.৩%)

খ) ইনছেপ্টিছ'ল (৪৯.৩%)

গ) এলফিছ'ল (১২.৩%)

ঘ) আল্টিছ'ল (৬.১%)

**১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

কঁঠালতলি ট জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ কঁঠালতলি জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বনজ প্ৰজাতি | চেগুন | টেক্টোনাগ্ৰেণ্ডিছ লিন্ |
| সহযোগী প্ৰজাতি | গমাৰি | গ্মেলিনা আৰব্ৰিয়া |
| গুল্ম | ঢেঁকীয়া | ফাৰ্ণ |
| | ভোটজলকীয়া | কেপচিকাম চিনেন্‌ছে |
| ভেষজ উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |

| | | |
|---|---|---|
| ভেষজ উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | শিলিখা | টাৰ্মিনেলিয়া চেবুলা |
| | নিম | আজাডিৰাচ্টাইণ্ডিকা |
| | আমলখি | ফিলান্থাছএম্বেলিকা |
| উৎপাদন | | |
| যদি অন্য আছে | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| | জাতি বেত | কেলামাছ টেনুইছ |
| | ৰাইডাং বেত<br>চুলি বেত | কেলামাছ ৰোটাং<br>কেলামাছ ফ্লেগেল্লাম |
| | লেজাই বেত | কেলামাছ ফ্লৰিবাণ্ডুছ |
| | কেঁকু বাঁহ | ডি হেমিল্টনী |
| | পাহাৰীয়া জাতি বাঁহ | অ'ক্সিটেনথেৰা পাৰ্ভিফ'লিয়া |
| | ডলু বাঁহ | শ্বিজষ্টাচিয়ামডুলোৰা |
| | আমলখি | এমব্লিকা অফিচিনেলিছ্ |
| | হলখ | টাৰ্মিনেলিয়া মাইৰিঅ'কাৰ্পা |
| | হোলোং | ডিপটেৰ'কাৰপাছমেক্ৰকাৰপাছ |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | আগৰ | আকুইলাৰিয়াআগাল্লোচা |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ'/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত কঁঠালতলি জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'লঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

কঁঠালতলি জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল ঃ ১৪৩

খ) জড়িত লোক ঃ ১৪৩ (প্ৰতি পৰিয়ালৰ এজনকৈ সদস্য)

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ পৰ্যাপ্ত তথ্য নাই

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ বন বিষয়াসকলৰ দ্বাৰা পহৰা

**(উৎস ঃ প্ৰফ'ৰ্মা-৩, 'জে এফ এম চিৰ অৱস্থা-** viii + ix' / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ কঁঠালতলি জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কেনেকৈ চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | উচ্চহাৰ | ৬০-৭০ কিঃ গ্ৰাঃ | | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | মধ্যম হাৰ | ৩-৫ টা/বছৰ | | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| খুঁটা / বাঁহ | মধ্যম হাৰ | ২-৩ টা/বছৰ | | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | উচ্চ হাৰ | ৩০-৪০ কিঃ গ্ৰাঃ/ বছৰ | | বনাঞ্চল |
| এন টি এফ পি | উচ্চ হাৰ | ২০-৩০ কিঃ গ্ৰাঃ/ বছৰ | | বনাঞ্চল |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.২'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

কঁঠালতলি জে এফ এম চিত মুঠ ৬৫ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি কঁঠালতলি গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ কঁঠালতলি জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১০০১০-১১৪৪০ | বছৰটোৰ বাবে |
| ঘৰৰ বাবে কাঠ | ৪২৯-৭১৫ টা | ডিচেম্বৰ-জানুৱাৰী |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — |
| খুঁটা / বাঁহ | ২৮৬-৪২৯ টা | ডিচেম্বৰ-জানুৱাৰী |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৪২৯০-৫৭২০ | বছৰটোৰ বাবে |
| এন টি এফ পি | ২৮৬০-৪২৯০ | বছৰটোৰ বাবে |

**উৎস ঃ ওপৰৰ তালিকা ৪, (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ অনুমানিক পৰিমাণ (তালিকা- ৪ (ক)×— টা পৰিয়াল

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। কঁঠালতলি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ কঁঠালতলি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | — | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | — | — | — | — |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৩'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য**
**কঁঠালতলি জে এফ এম চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৪'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

## ২.৪। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত ন-খুঁটি জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ কঁঠালতলি জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তালিকা-৪ (খ)ৰ পৰা | উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা | মুঠ চাহিদা (কিঃ গ্ৰাঃ) |
|---|---|---|---|
| কাঠখৰি | ১০০১০-১১৪৪০ | --— | ১০০১০-১১৪৪০ |
| ঘৰৰ বাবে কাঠ | ৪২৯-৭১৫ টা | — | ৪২৯-৭১৫ টা |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ/ খুঁটা | ২৮৬-৪২৯ টা | —— | ২৮৬-৪২৯ টা |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৪২৯০-৫৭২০ | — | ৪২৯০-৫৭২০ |
| এন টি এফ পি | ২৮৬০-৪২৯০ | — | ২৮৬০-৪২৯০ |

**উৎস ঃ** এই অধ্যায়ৰ **তালিকা-৪ (খ) আৰু ৫ (খ),** পৰৱৰ্তী পৃষ্ঠাসমূহত দিয়া হৈছে।

## ৩। বন সুৰক্ষা সংক্ৰান্ত বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

কঁঠালতলি জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ কঁঠালতলি জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনিভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | হয় | হয় |
| ঔষধি গছৰ চুৰি | হয় | হয় |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৫'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক) চৰণীয়া পথাৰ— স্থানীয় জন্তু

খ) অন্যান্য এলেকাৰ জন্তু

গ) দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড নিয়ন্ত্ৰণ

ঘ) চৰণীয়া পথাৰ নিয়ন্ত্ৰণ — পশুধন অনুপ্ৰৱেশ আইন, ১৮৭১ অনুসৰি গঁড়াল নিৰ্মাণ

ঙ) জে এফ এম চিৰ সদস্য আৰু বন বিভাগৰ সহযোগত যুটীয়া পহৰা

চ) সংশ্লিষ্ট এলেকাত বনাঞ্চলৰ গুৰুত্ব সম্পৰ্কে সজাগতা অভিযান অনুষ্ঠিত কৰা

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

**কঁঠালতলি** জে এফ এম চিত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্ছাৰী উন্নয়ন, ব্যৱস্থাপনা আৰু অতিৰিক্ত ক্ৰিয়া।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— কঁঠালতলি জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ কঁঠালতলি জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| **সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব** | **বনাঞ্চল এলেকাৰ অৱস্থিতি** | **ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি)** | **সময়-কাল** | **অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন)** |
|---|---|---|---|---|
| ১.পহৰাদাৰ নিয়োগ | সংৰক্ষিত বনাঞ্চল | ৩ কিলোমিটাৰ | সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৬ বজালৈকে | উচ্চ |
| ২. তথ্য যোগনীয়াৰ পুৰস্কাৰ | সংৰক্ষিত বনাঞ্চল | ৩ কিলোমিটাৰ | যিকোনো সময়ত | উচ্চ |
| ৩.অগ্নিকাণ্ড সুৰক্ষাা | সংৰক্ষিত বনাঞ্চল — | ৩ কিলোমিটাৰ — | যিকোনো — | উচ্চ — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৭'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

গতিকে, কঁঠালতলি জে এফ এম চিত পৰিকল্পনা কৰা বৈশিষ্টপূৰ্ণ প্ৰতিৰক্ষা ব্যৱস্থাসমূহ (উচ্চ/মধ্যম অগ্ৰাধিকাৰ) তলত দিয়াৰ দৰে—

ক) বেৰ

খ) অগ্নিকাণ্ড সুৰক্ষা

### ৪.২। বনাঞ্চল উন্নয়ন — কৰ্ম আঁচনি

**শাল বৰ্হিভূত সহযোগী প্ৰজাতিসহ বিভিন্ন প্ৰজাতিৰ বৃক্ষৰ ব্লক ৰোপণৰ কৰ্ম আঁচনি**

ৰোপণৰ নাম ঃ শাল বৰ্হিভূত সহযোগী প্ৰজাতিসহ বিভিন্ন প্ৰজাতিৰ বৃক্ষৰ ব্লক ৰোপণ

ৰোপণৰ সময়সীমা ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬ (১০ বছৰ)

ৰোপণৰ এলেকা ঃ

স্থান ব্যৱধান ঃ

বৃদ্ধি কৰিবলগীয়া উদ্ভিদৰ সংখ্যা ঃ

ব্লকৰ সংখ্যা ঃ

প্ৰজাতি ঃ

হাৰ ঃ

| বিত্তীয় বৰ্ষ | কাম-কাজ | পৰিমাণ |
|---|---|---|
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ কাৰণে উপযুক্ত স্থান চিহ্নিতকৰণ-স্বাভাৱিকভাৱে বীজ পৰাৰ সম্ভাৱনা পৰীক্ষা-প্ৰাকৃতিক জৈৱিক হস্তক্ষেপ আৰু তীব্ৰতাৰ নিৰ্ণয়- ১০০ হেক্টৰৰ কম নহয়, ডিচেম্বৰ মাহত ভূমিৰ সীমা চিহ্নিতকৰণ, চাৰিটা ব্লকত ভূমি বিভাজন, ভূমি উন্নয়ন, মাটিৰ কাম হেক্টৰ প্ৰতি ১,০০০ টকাত | — |
| ২০১৭-১৮* | ব্লক ৰোপণ ৩ × ৩ মিঃ, ১১১১ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| ২০১৮-১৯* | ব্লক ৰোপণ ৩ × ৩ মিঃ, ১১১১ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| ২০১৯-২০* | প্ৰথম অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| | ব্লক ৰোপণ ৩ × ৩ মিঃ, ১১১১ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | দ্বিতীয় অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২০-২১* | ব্লক ৰোপণ ৩ × ৩ মিঃ, ১১১১ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | তৃতীয় অপতৃণ ছাফাই | |
| ২০২১-২২* | চতুৰ্থ অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২২-২৩* | পঞ্চম অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২৩-২৪* | ষষ্ঠ অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২৪-২৫* | সপ্তম অপতৃণ ছাফাই | — |
| ২০২৫-২৬* | অষ্টম অপতৃণ ছাফাই | — |
| | মুঠ আৱশ্যকীয় বাজেট | |

* ৰোপণৰ পৰৱৰ্তী কালত পাঁচ বছৰৰ মূৰে মূৰে ঘাঁহ-বন আঁতৰোৱাৰ কাম।

**মিশ্ৰ বৃক্ষৰোপণ- সহযোগী গছ পুলিৰ লগত চেগুন, খৰিৰ বাবে ব্যৱহাৰ কৰা গছ আৰু বাঁহৰ ব্লক ৰোপণৰ কৰ্ম আঁচনি**

ৰোপণৰ নাম ঃ মিশ্ৰ গছ পুলিৰ লগত চেগুন, খৰিৰ বাবে ব্যৱহাৰ কৰা গছ আৰু বাঁহৰ ব্লক ৰোপণ

ৰোপণৰ সময়সীমা ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬ (১০ বছৰ)

ৰোপণৰ এলেকা ঃ

স্থান ব্যৱধান ঃ

বৃদ্ধি কৰিবলগীয়া উদ্ভিদৰ সংখ্যা ঃ

ব্লকৰ সংখ্যা ঃ

প্ৰজাতি ঃ

| **বন সৃষ্টিৰ বাবে কৰ্ম আঁচনি** | | |
|---|---|---|
| **বিত্তীয় বৰ্ষ** | **কাম-কাজ** | **পৰিমাণ** |
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ কাৰণে উপযুক্ত স্থান চিহ্নিতকৰণ-স্বাভাৱিকভাৱে বীজ পৰাৰ সম্ভাৱনা পৰীক্ষা-প্ৰাকৃতিক জৈৱিক হস্তক্ষেপ আৰু তীব্ৰতাৰ নিৰ্ণয়- ১০০ হেক্টৰৰ কম নহয়, ডিচেম্বৰ মাহত ভূমিৰ সীমা চিহ্নিতকৰণ, চাৰিটা ব্লকত ভূমি বিভাজন, ভূমি উন্নয়ন, মাটিৰ কাম হেক্টৰ প্ৰতি ১,০০০ টকাত | — |
| ২০১৭-১৮* | ব্লক ৰোপণ ২×২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| ২০১৮-১৯* | ব্লক ৰোপণ ২×২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | প্ৰথম অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০১৯-২০* | ব্লক ৰোপণ ২ × ২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | দ্বিতীয় অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২০-২১* | ব্লক ৰোপণ ২ × ২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | তৃতীয় অপতৃণ ছাফাই | |
| ২০২১-২২* | চতুৰ্থ অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২২-২৩* | পঞ্চম অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২৩-২৪* | ষষ্ঠ অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২৪-২৫* | সপ্তম অপতৃণ ছাফাই | — |
| ২০২৫-২৬* | অষ্টম অপতৃণ ছাফাই | — |
| | মুঠ আৱশ্যকীয় বাজেট | |

* ৰোপণৰ পৰৱৰ্তী কালত পাঁচ বছৰৰ মূৰে মূৰে ঘাঁহ-বন আঁতৰোৱাৰ কাম।

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.১০'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**কাঠভিন্ন বনজ উৎপাদনৰ বাবে ব্লক ৰোপণৰ কৰ্ম আঁচনি**

ৰোপণৰ নাম ঃ কাঠভিন্ন বনজ উৎপাদনৰ বাবে ৰোপণ

ৰোপণৰ সময়সীমা ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬ (১০ বছৰ)

ৰোপণৰ এলেকা ঃ

স্থান ব্যৱধান ঃ

বৃদ্ধি কৰিবলগীয়া উদ্ভিদৰ সংখ্যা ঃ

ব্লকৰ সংখ্যা ঃ

প্ৰজাতি ঃ

| বিত্তীয় বৰ্ষ | কাম-কাজ | পৰিমাণ |
|---|---|---|
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ কাৰণে উপযুক্ত স্থান চিহ্নিতকৰণ-স্বাভাৱিকভাৱে বীজ পৰাৰ সম্ভাৱনা পৰীক্ষা-প্ৰাকৃতিক জৈৱিক হস্তক্ষেপ আৰু তীব্ৰতাৰ নিৰ্ণয়- ৫০ হেক্টৰৰ কম নহয়, ডিচেম্বৰ মাহত ভূমিৰ সীমা চিহ্নিতকৰণ, চাৰিটা ব্লকত ভূমি বিভাজন, ভূমি উন্নয়ন, মাটিৰ কাম হেক্টৰ প্ৰতি ১,০০০ টকাত, তিনিটা কাঁইটীয়া তাঁৰৰ বেৰ, ২৮০০ আৰএম, প্ৰতি আৰ এমত ৫৬.৩৬ টকা। | — |
| ২০১৭-১৮* | ব্লক ৰোপণ ২ × ২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| ২০১৮-১৯* | ব্লক ৰোপণ ২ × ২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | প্ৰথম অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০১৯-২০* | ব্লক ৰোপণ ২ × ২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | দ্বিতীয় অপতৃণ ছাফাই; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২০-২১* | ব্লক ৰোপণ ২ × ২ মিঃ, ২৫০০ পুলি/হেক্টৰ-এপ্ৰিল-জুনৰ ঋতুত; এলেকাৰ জি পি এছ চিহ্নিতকৰণ | — |
| | তৃতীয় অপতৃণ ছাফাই আৰু কলম দিয়া | |
| ২০২১-২২* | চতুৰ্থ অপতৃণ ছাফাই আৰু কলম দিয়া; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২২-২৩* | পঞ্চম অপতৃণ ছাফাই আৰু কলম দিয়া; মৰা গছ পুলিবোৰ/পূৰ্বৱৰ্তী বছৰত ৰোপণ কৰা অৰ্ধমৃত পুলিবোৰ অপসাৰণ। | — |
| ২০২৩-২৪* | ষষ্ঠ অপতৃণ ছাফাই আৰু কলম দিয়া। | — |
| ২০২৪-২৫* | সপ্তম অপতৃণ ছাফাই | — |
| ২০২৫-২৬* | অষ্টম অপতৃণ ছাফাই | — |
| | মুঠ আৱশ্যকীয় বাজেট | |

৪.৩। **নাৰ্ছাৰি উন্নয়ন পৰিকল্পনা**

কঁঠালতলি জে এফ এম চি-ৰ নাৰ্ছাৰি উন্নয়ন পৰিকল্পনা নিম্নোক্ত ধৰণৰ নাৰ্ছাৰিবোৰৰ ওপৰত নিৰ্ভৰশীল ঃ

ক) জে এফ এম চি নাৰ্ছাৰি (বিভাগীয় নাৰ্ছাৰিসহ)

বিতং বিৱৰণ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ১১ (ক) ঃ কঁঠালতলি জে এফ এম চি-ৰ জে এফ এম চি নাৰ্ছাৰি**

| নাৰ্ছাৰিৰ অৱস্থিতি | প্ৰজাতি | উন্নয়নৰ বছৰ | পুলিৰ সংখ্যা | মন্তব্য |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.১১'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

৪.৪। **ৰক্ষণাবেক্ষণ পৰিকল্পনা-১০ বছৰ**

কঁঠালতলি জে এফ এম চি-ৰ ৰোপিত গছপুলিৰ ৰক্ষণাবেক্ষণ পৰিকল্পনা তলত উল্লেখ কৰা হ'ল। ইয়াত ১০ বছৰ সময়সীমা ধাৰ্য কৰা হৈছে।

**ক) বৃক্ষৰ প্ৰজাতি শাল ভিন্ন আন প্ৰজাতিৰ বৃক্ষ, চেগুন**

**তালিকা- ১২ (ক) ঃ কঁঠালতলি জে এফ এম চি-ত ৰোপণ কৰা চেগুন গছৰ পুলিৰ ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময় |
|---|---|
| | |
| | |
| | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**খ)  বাঁহ**

**তালিকা- ১২ (খ) ঃ কঁঠালতলি জে এফ এম চি-ত বাঁহৰ ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময় |
|---|---|
| | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**গ)  কাঠখৰিৰ বৃক্ষৰোপণ**

**তালিকা- ১২ (গ) ঃ কঁঠালতলি জে এফ এম চি-ত কাঠখৰিৰ গছপুলিৰ ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময় |
|---|---|
| | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**ঘ)  এন টি এফ পি / ভেষজ উদ্ভিদ**

**তালিকা- ১২ (ঘ) ঃ কঁঠালতলি জে এফ এম চি-ত এন টি এফ পি / ভেষজ উদ্ভিদৰ ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময় |
|---|---|
| | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

## ৪.৫।  বিভিন্ন প্ৰকাৰৰ কাম-কাজৰ পৰিকল্পনা

কঁঠালতলি জে এফ এম চি-ৰ বিভিন্ন ধৰণৰ কাম-কাজৰ পৰিকল্পনা তলত উল্লেখ কৰা হ'ল—

**তালিকা- ১৩ ঃ কঁঠালতলি জে এফ এম চি-ৰ বিভিন্ন ধৰণৰ কাম-কাজ**

| কাম-কাজ | প্ৰয়োজনীয় (হয়/নহয়) | দায়িত্ব | মাহ/বছৰ | এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| এই ধৰণৰ কোনো পৰিকল্পনা নাই | | | | |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.১৩'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

## ৫।  প্ৰত্যাশিত সুফল

এই উপ বিভাগত কঁঠালতলি জে এফ এম চি-ৰ সদস্যসকলৰ দ্বাৰা সুৰক্ষিত বনাঞ্চলৰ পৰা প্ৰত্যাশিত সুফলসমূহ আৰু সেইবোৰ বিতৰণৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল—

## ৫.১।  কাঠ আৰু ঘাঁহৰ পৰা প্ৰত্যাশিত সুফল

কঁঠালতলি জে এফ এম চি-ৰ উল্লিখিত বিষয় নিম্নোক্ত তালিকাত সন্নিৰিষ্ট কৰা হৈছে। এই বন উন্নয়ন পৰিকল্পনাৰ অধীনস্থ সদস্যসকলৰ দ্বাৰা বনাঞ্চল সুৰক্ষাৰ জৰিয়তে সুফলবোৰ প্ৰত্যাশা কৰা হৈছে।

**তালিকা- ১৪ ঃ কঁঠালতলি জে এফ এম চি-ৰ সদস্যসকলৰ দ্বাৰা সুৰক্ষিত বনাঞ্চলৰ পৰা প্ৰত্যাশিত সুফলসমূহ**

| সামগ্ৰী | মাহ | বছৰ (নিৰ্দেশক) | পৰিমাণ |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | |
| সজুলীৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা ঘাঁহ আৰু পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| মজুৰি | — | — | — |
| অন্যান্য | — | — | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.১৪'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**দ্ৰষ্টব্য ঃ** মাণ্ডলিক বন বিষয়াই জনোৱা মতে এলেকাটো অত্যন্ত গড়া, বন্যপ্ৰাণী নিবাসৰ ঠাই আৰু উগ্ৰপন্থী সমস্যাৰ কাৰণে উক্ত এলেকাত বৃক্ষৰোপণ সম্ভৱ নহয়।

## ৫.২। বিতৰণ পদ্ধতি

কঁঠালতলি জে এফ এম চি-ৰ সদস্যসকলৰ বাবে সুফলসমূহৰ বিতৰণ পদ্ধতি তলত উল্লেখ কৰা হ'ল—

**তালিকা- ১৫ ঃ কঁঠালতলি জে এফ এম চি-ৰ বাবে বিতৰণ পদ্ধতি**

| পদ্ধতি | সামগ্ৰী |
|---|---|
| সমভাৱে বিতৰণ কৰিব লাগিব | এন টি এফ পি |
| সদস্যসকলৰ জৰিয়তে মুকলিভাৱে সংগ্ৰহ কৰা হ'ব | কাঠখৰি |
| অন্যান্য পদ্ধতি | এন টি এফ পিৰ প্ৰক্ৰিয়াকৰণ |

কে ভি বনাঞ্চলিক বিষয়াসকলে জনোৱা মতে বিতৰণ প্ৰক্ৰিয়া এতিয়াও আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হোৱা নাই আৰু যিসকল ব্যক্তি ৰোপণ কাৰ্যত জড়িত তেওঁলোকে কেৱল কিছু অৱশিষ্টাংশ সংগ্ৰহ কৰিছে।

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.১৫'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**পৰিশিষ্ট তালিকা**


| পৰিশিষ্ট নং | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | **কেনেকৈ গৈ পাব পাৰি** | ২৭ |
| ২ | **মানচিত্ৰ** | |
| | গাঁৱৰ মানচিত্ৰ | ২৯ |
| | গাঁৱৰ সামাজিক মানচিত্ৰ | ৩০ |
| | গাঁৱৰ সম্পদৰ মানচিত্ৰ | ৩১ |
| ৩ | **গাঁৱৰ মানচিত্ৰ ব্যৱহাৰৰ ভূমি (জি আই এছ)** | ৩২ |
| ৪ | **পি আৰ এ অনুশীলন** | ৩৩-৩৪ |
| | সামাজিক মানচিত্ৰায়ণ | ৩৫-৩৬ |
| | সম্পদৰ স্থানাংক | ৩৭ |
| | সময়কালীন সমীক্ষা | ৩৭ |
| | জীৱিকাৰ ঋতু | ৩৮ |
| | ভেন ডায়েগ্ৰাম | ৪১ |
| | চাপাট্টি ডায়েগ্ৰাম | ৪২ |
| | অগ্ৰাধিকাৰ স্থানাংক আৰু ই পি এ | ৪৩-৪৪ |
| ৫ | **ফটো** | ৪৫ |
| ৬ | জে এফ এম চি-ৰ সদস্যসকলৰ তালিকা | ৪৬ |
| ৭ | পূৰণ কৰা তালিকা (প্ৰফৰ্মা ১ৰ পৰা প্ৰফৰ্মা ৪)<br>তালিকাৰ সংখ্যা- ১-১৬ | ৪৭-৫৪ |


## পৰিশিষ্ট ১

### কেনেকৈ গৈ পাব পাৰি ঃ

**গুৱাহাটীৰ পৰা লংকা দূৰত্ব, অৱস্থিতি, পথৰ মানচিত্ৰ আৰু নিৰ্দেশ**

ভাৰতৰ ৯১.৭৫ দ্ৰাঘিমাংশ আৰু ২৬.১৯ অক্ষাংশত গুৱাহাটী অৱস্থিত। আনহাতে ভাৰতৰ ৯২.১৫ দ্ৰাঘিমাংশ আৰু ২৫.৯৩ অক্ষাংশত লংকা অৱস্থিত।

**গুৱাহাটী আৰু লংকাৰ মাজৰ দূৰত্ব**

গুৱাহাটী আৰু লংকাৰ মাজৰ পোনপটীয়া দূৰত্ব ১২৩ কিঃ মিঃ (কিলোমিটাৰ) আৰু ৩৩৯.৬৪ মিটাৰ। মাইলৰ হিচাপত গুৱাহাটী আৰু লংকাৰ মাজৰ দূৰত্ব ৭৬.৬ মাইল। এয়া হৈছে পোনপটীয়া সৰলৰৈখিক দূৰত্ব। কিন্তু একা-বেঁকা পথৰ কাৰণে গুৱাহাটী আৰু লংকাৰ মাজৰ প্ৰকৃত ভ্ৰমণ দূৰত্ব তাতোকৈ অধিক হ'বগৈ পাৰে।

**গুৱাহাটীৰ পৰা লংকালৈকে ভ্ৰমণৰ সময়**

গুৱাহাটীৰ অৱস্থান লংকাৰ পৰা প্ৰায় ১২৩ কিলোমিটাৰ দূৰত। গতিকে একেৰাহে প্ৰতি ঘণ্টাত ৫০ কিলোমিটাৰ গতিৰে ভ্ৰমণ কৰিলে ২.৪৭ ঘণ্টাত লংকা পাবগৈ পাৰি। কিন্তু বাছৰ গতি, ৰে'লগাড়ীৰ গতি অথবা নিজে ব্যৱহাৰ কৰা যান-বাহনেৰে যাত্ৰা কৰাৰ ওপৰতে ভ্ৰমণ সময় পৃথক পৃথক হ'ব পাৰে।

**গুৱাহাটীৰ পৰা লংকা বাছ**

গুৱাহাটীৰ পৰা বাছেৰে লংকালৈ বাছেৰে প্ৰতি ঘণ্টাত গড় ৬০ কিলোমিটাৰ গতিৰে গ'লে সময় লাগে প্ৰায় ২.০৬ ঘণ্টা। বিভিন্ন পথেৰে যাত্ৰা অথবা পথৰ অৱস্থাৰ কাৰণে গুৱাহাটীৰ পৰা বাছেৰে লংকালৈ যাওঁতে আনুমানিক সময় ওপৰত উল্লেখ কৰা সময়ৰ তুলনাত অধিক লাগিব পাৰে। এই ভ্ৰমণ সময় হিচাপ কৰা হৈছে সৰলৰৈখিক দূৰত্বৰ হিচাপত। এই দূৰত্বত লংকালৈ যাবলৈ কোনো পথ বা বাছ যোগাযোগো নাই।

**গুৱাহাটীৰ পৰা লংকালৈ বাছ ভাড়া প্ৰায় ৯৯ টকা হ'ব পাৰে।**

**গুৱাহাটীৰ পৰা লংকালৈ পথৰ মানচিত্ৰ**


